দিনাংক- ১৭ এপ্ৰিল ২০১৪

## অভিযানসূচী-১৭ এপ্ৰিল ২০১৪

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

### ন্যায়পৰায়ণ হ'লেও প্ৰতিশোধপৰায়ন নহয়

এন ডি এ ৰ প্ৰধানমন্ত্ৰীৰ পদৰ প্ৰাৰ্থী শ্ৰীযুত নৰেন্দ্ৰ মোদীয়ে এক টেলিভিচন নিউজ এজেঞ্চীয়ে এ এন আই ক দিয়া সাক্ষাৎকাৰত এক ঐতিহাসিক মন্তব্য প্ৰকাশ কৰিছে । আহিবলগীয়া চৰকাৰে ধণাত্মক কাৰ্য্যসূচীৰে কাৰ্য্য কৰিব, প্ৰতিশোধপৰায়নভাৱে নহয় ।

ভাৰতবৰ্ষ সলনি হৈ আছে । ইয়াৰ জনগণ লাহে লাহে বিৰামহীন হৈ পৰিছে । উচ্চাংকাক্ষীৰ শ্ৰেণী বৃদ্ধি পাইছে । জনসাধাৰণে এনে ব্যৱস্থা বিচাৰিছে য'ত তেওঁলোকৰ জীৱনৰ মানদণ্ড বৃদ্ধি হৈছে । নতুন প্ৰজন্মই শিক্ষা, চাকৰি, ঘৰ, স্বাস্থ্য সুৰক্ষা আৰু হাইজেন বিচাৰিছে । তেওঁলোকে ৰাজনীতিক কেৱল দলৰ মাজত নাথাকি নিশ্চিত কৰিব লাগে যে এইয়া ফলাফল দিয়া ব্যৱস্থা হওঁক ।

এনে পৰিস্থিতিত চৰকাৰক কেৱল তেওঁলোকৰ কাৰ্য্য আৰু ফলাফলৰ বাবেহে মনত ৰখা হ'ব, তেওঁলোকে বিৰোধী দলৰ বিৰুদ্ধে কৰা ৰাজনৈতিক যুজঁৰ ববে নহয় । ইয়াৰ অৰ্থ এইয়া নহয় যে আইন পালন কৰিব নালাগিব । যদি কোনোবাই অপৰাধ কৰিছে তেন্তে তাৰ অনুসন্ধান স্বাধীন বিভাগৰ দ্বাৰা কৰোৱাব লাগে । স্বাধীন প্ৰতিষ্ঠান আৰু পেচাদাৰী লোক হোৱাতো নিশ্চিত কৰিব লাগে । ভাতৃত্ববোধ থকা লোকেহে কেৱল এনে বিভাগ পৰিচালন কৰিব লাগে আৰু ইয়াত ৰাজনৈতিক হস্তক্ষেপ থাকিব নালাগে । যদি ভৱিষ্যতত এইয়া নিশ্চিত কৰিব পাৰে, তেন্তে অলপ হ'লেও তেওঁলোকে কাম কৰা বুলি ভাৱিব পৰা যাব ।

### ভোট দিয়া লোক ওল্লু নহয়

আজি যি সময়ত ১২১ টা সংসদীয় সমষ্টিৰ নিৰ্বাচন হ'ব সেই সময়ৰলৈকে ভাৰতৰ প্ৰায় ৫০ শতাংশ লোকে ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত ভোট সম্পূৰ্ণ কৰিব । ইয়াৰ প্ৰৱণতা আচলতে কি ? থাৰ্ড ফ্ৰ'ণ্ট অথবা ফেডাৰেল ফ্ৰণ্টৰ আৰম্ভনিয়ে হোৱা নাই । কংগ্ৰেছ পাৰ্টি এতিয়া বহুত দূৰত আছে । কেৱল এন ডি য়েহে আগন্তুক চৰকাৰ গঠন কৰাৰ সঠিক সুবিধা আছে । ইউ পি এ চৰকাৰৰ বিৰুদ্ধে দায়িত্ব পালন নকৰাৰ অভিযোগৰ বিপৰীতে সকলোৱে নৰেন্দ্ৰ মোদীক সমৰ্থন কৰিছে । সকলোৰে চিন্তাৰ বিষয় হৈছে যে স্থিৰ চৰকাৰ কোনে দিব পাৰিব ? ইয়াৰ উত্তাৰ হিচাপে কেৱল বিজেপি আৰু এন ডি এ য়েহে স্থিৰ চৰকাৰ দিব পাৰিব । ৰাহুল গান্ধীয়ে মানি ল'ব লাগে যে জনসাধাৰণে কংগ্ৰেছক লৈ বহুত খঙত আছে ।তেওঁলোকে কংগ্ৰেছৰ বিৰুদ্ধে ভোট কৰিলে ওল্লু নহয় । পৰাস্ত হোৱাৰ চিন্তাই এজন নেতাৰ নিজৰ সৌষ্ঠৰপূৰ্ণতাক

হেৰুৱাব নালাগে । কংগ্ৰেছৰ বিৰুদ্ধে ভোট কৰা লোকৰ ওচৰত ইয়াৰ কাৰণো হ'ব পাৰে । খণ্ড কৰা ভোটদাতা কোনো শব্দ নহয় যে, ৰাহুল গান্ধীয়ে ইয়াক বৰ্ণনা কৰিব বিচাৰিছে ।